বেদখলকাৰীক এমাহৰ অন্তিম সময়সীমা আটাছুৰ

ঐতিহাসিক ডিমৌ পুখুৰী বেদখল মুক্ত কৰাৰ দাবী

অগ্ৰদূত বাৰ্তা

ডিমৌ, ১৩ নৱেম্বৰ ঃ ছশ বছৰীয়া আহোম ৰাজত্বৰ স্বাক্ষৰ বহন কৰা ঐতিহাসিক ডিমৌ পুখুৰী স্বাধীনতাৰ ৭০ টা বছৰ অতিক্ৰম কৰাৰ পাছতো আজি পৰ্যন্ত একাংশ ব্যক্তিৰ দ্বাৰা বেদখলীকৃত অৱস্থাত আছে। বিভিন্ন সময়ত তাই আহোম ছাত্ৰ সন্থাৰ ডিমৌ আঞ্চলিক সমিতিয়ে প্ৰশাসনক পুখুৰীটো উদ্ধাৰৰ ক্ষেত্ৰত দাবী জনাই অহাৰ পাছতো আজি পৰ্যন্ত কিন্তু পুখুৰীটো প্ৰশাসনে বেদখলমুক্ত কৰিব নোৱাৰাত তাই আহোম ছাত্ৰ সন্থাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আজি আটাছুৰ শিৱসাগৰ জিলা সমিতিৰ যুটীয়া সম্পাদক নিপন বৰুৱা, আটাছুৰ শিৱসাগৰ মহকুমা সমিতিৰ কাৰ্যকৰী সভাপতি সন্দীপ গগৈ আৰু ডিমৌ আঞ্চলিকৰ সাধাৰণ সম্পাদক সুমিত কুমাৰ সন্দিকৈয়ে কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত উল্লেখ কৰা মতে, বৰ্তমান ঐতিহাসিক ডিমৌ পুখুৰীৰ অৱশিষ্ট অংশসমূহো আজি অস্তিত্বৰ চূড়ান্ত সংকটত। নিশ্চিতভাৱে ইয়াতকৈ দুৰ্ভাগ্যজনক আৰু লজ্জাজনক বিষয় ডিমৌবাসীৰ বাবে একো হ'ব নোৱাৰে। ডিমৌবাসীৰ স্বাভিমান জড়িত থকা এনে এটা স্পৰ্শকাতৰ বিষয়ক লৈ প্ৰশাসনে আজি পৰ্যন্ত কেৱল মাত্ৰ টেবুলৰ আলোচনাতে সীমাবদ্ধ হৈ থকাটো আটাছুৱে কোনো কাৰণতে সহজভাৱে গ্ৰহণ কৰিব পৰা নাই। এই ক্ষেত্ৰত ডিমৌ আঞ্চলিক আটাছুই প্ৰশাসনৰ ভূমিকাক তীব্ৰ ভাষাৰে গৰিহণা দিছে। উল্লেখ্য যে এসময়ত ডিমৌ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰাই ঐতিহাসিক ডিমৌ পুখুৰীৰ পাৰত একাংশ বণিক গোষ্ঠীক মাটিৰ পট্টা প্ৰদানেৰে প্ৰশাসনৰ তৰফৰ পৰাই উদ্‌গনি যোগাইছিল বুলি তাই আহোম ছাত্ৰ সন্থাই অভিযোগ উত্থাপন কৰিছে। বিবৃতিত নেতাত্ৰয়ে আৰু উল্লেখ কৰে যে ঐতিহাসিক ডিমৌ পুখুৰী আহোম ৰাজত্বৰ সোণালী স্বাক্ষৰ বহন কৰি থকা এটি ঐতিহাসিক সম্পদ তথা ডিমৌবাসীৰ স্বাভিমানৰ প্ৰতীক। এই সম্পদটিক কোনোবাই প্ৰশাসনৰ দুৰ্বল স্থিতিৰ বাবে বেদখল কৰি থাকিব, সেয়া আৰু সহ্য কৰা নহ'ব। ঐতিহাসিক ডিমৌ পুখুৰীটো উদ্ধাৰৰ বাবে আটাছুৱে প্ৰশাসনৰ লগতে বেদখলকাৰীক অন্তিমবাৰৰ বাবে সকীয়াই এমাহৰ সময়সীমা নিৰ্ধাৰণ কৰি দিছে। ইয়াৰ অন্যথা ডিমৌ আঞ্চলিক তাই আহোম ছাত্ৰ সন্থাই ডিমৌবাসী ৰাইজৰ সহযোগত কঠোৰভাৱে নিজাববীয়া ব্যৱস্থা গ্ৰহণ কৰি ঐতিহাসিক ডিমৌ পুখুৰীটো বেদখলমুক্ত কৰিবলৈ বাধ্য হ'ব বুলি বিবৃতিত উল্লেখ কৰিছে।

জাতিদ্ৰোহী বিজেপিক পঞ্চায়ত নিৰ্বাচনত উচিত প্ৰত্যুত্তৰ দিয়ক ঃ কৃষক মুক্তি

বিশেষ সংবাদদাতা

শিৱসাগৰ, ১৩ নৱেম্বৰ ঃ নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬ৰ বিৰুদ্ধে কৃষক নেতা অখিল গগৈৰ নেতৃত্বত অসমৰ ৬০ টা জাতীয়-জনগোষ্ঠীয় সংগঠনে সংগ্ৰাম অব্যাহত ৰাখিছে। যোৱা ১০ নৱেম্বৰত শদিয়াৰ পৰা আৰম্ভ হোৱা সংকল্প যাত্ৰাৰ প্ৰতিবাদকাৰীসকল মটৰ চাইকেল যোগে কালি শিৱসাগৰত উপস্থিত হয়। নগৰৰ দ'লমুখ চাৰিআলিত অনুষ্ঠিত এখন প্ৰতিবাদী সভাত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সম্পাদক ধৈৰ্য কোঁৱৰে কয় যে নাগৰিকত্ব সংশোধনী বিধেয়ক বাতিল নোহোৱালৈকে প্ৰতিজন অসমীয়াৰ ঐক্যবদ্ধ ধাৰাবাহিক সংগ্ৰাম অব্যাহত থাকিব। নাগৰিকত্ব সংশোধনী বিধেয়ক গৃহীত হ'লে অসম আৰু অসমীয়া জাতি নিঃশেষ হৈ যাব। সাম্প্ৰদায়িক বিজেপি চৰকাৰে অসমীয়া জাতিক ধ্বংস কৰি হিন্দু বাঙালীক স্বদেশী সজাই অসমক হিন্দু ৰাজ্য কৰাৰ নিকৃষ্ট ষড়যন্ত্ৰ কৰিছে। অসমীয়াৰ গাত এক বিন্দু তেজ থকালৈকে আমি সংগ্ৰাম চলাই যাম। সেয়েহে এনে ধৰণৰ জাতিদ্ৰোহী চৰকাৰক প্ৰতিজন অসমপ্ৰেমী ৰাইজে পঞ্চায়ত নিৰ্বাচনত উপযুক্ত প্ৰত্যুত্তৰ দিব লাগিব বুলি ধৈৰ্য কোঁৱৰে উল্লেখ কৰে। এই প্ৰতিবাদী সভাত আটাছুৰ কেন্দ্ৰীয় সভাপতি লিতুল বুঢ়াগোহাঁই, কাৰ্যকৰী সভাপতি লোহিত গগৈ, আহোম জাতীয় গণমঞ্চৰ সভাপতি মহেন্দ্ৰ দিহিংগীয়া, উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি মণিৰুল ইছলাম বড়া, পি চি পি ডিৰ অৰ্জুন গোৱালা, দিগন্ত কোঁৱৰ, আহোম সেনাৰ সভাপতি অংকুৰণ ফুকন, টাইপাৰ জিলা সভাপতি দিগন্ত তামুলীয়ে জাতিদ্ৰোহী বিজেপি চৰকাৰখনক ক্ষুৰধাৰ সমালোচনা কৰে।

চৰকাৰী সাহায্যপ্ৰাপ্ত চিকিৎসালয়লৈ বহাৰ আসন প্ৰদান নাজিৰা ৰংমন গোষ্ঠীৰ, মঙলবাৰে।

টিংখাঙত অসমৰ সৰ্বশ্ৰেষ্ঠ ভাওনা দলটিৰ দ্বাৰা ভাওনা প্ৰদৰ্শনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

টিংখাং, ১৩ নৱেম্বৰ ঃ টিংখাঙৰ ন-পাৰা গাঁৱৰ নামঘৰ প্ৰাংগণত সদৌ অসম ভাওনা প্ৰতিযোগিতাত সৰ্বশ্ৰেষ্ঠ দল হিচাপে বিবেচিত হোৱা 'ধিতাই পুখুৰী পূৰ্ববংগ সাংস্কৃতিক গোষ্ঠী'ৰ দ্বাৰা 'নৃসিংহ মুৰাৰী' নামৰ ভাওনা পৰিৱেশনৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। টিংখাং ন-পাৰা গাঁৱৰ ভক্তপ্ৰাণ ৰাইজৰ আমন্ত্ৰণ আৰু আতিথ্যৰে প্ৰদৰ্শন কৰিবলৈ লোৱা ভাওনা ভাগি অহা ১৪ নৱেম্বৰৰ সন্ধ্যা আঠ বজাৰ পৰা আৰম্ভ কৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমূল্য অৱদান ভাওনা কৃষ্টি জীয়াই ৰখা আৰু অধিক প্ৰচাৰ, প্ৰসাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি আয়োজন কৰা ভাওনা আৰু ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে গাঁওবাসীৰ হৈ বিকুল ডেকাই।

প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক মৃগেন কোঁৱৰক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

মাহমৰা, ১৩ নৱেম্বৰ ঃ সোণাৰি শিক্ষা খণ্ডৰ অন্তৰ্গত মাহমৰাৰ মৈদামপুৰ প্ৰাথমিক বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মৃগেন কোঁৱৰক বিদায় সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যেৰে আজি বিদ্যালয়খনত এখন সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ঘন দলৈৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ শিক্ষয়িত্ৰী শেৱালি গগৈয়ে। শিক্ষক প্ৰণৱ দহিঙীয়াই আঁত ধৰা সভাত অৱসৰপ্ৰাপ্ত শিক্ষক দুৰ্গেশ্বৰ ফুকন, শিক্ষয়িত্ৰী অনিমা বৰুৱা, সাংবাদিক যোগেন ৰাইদঙীয়া, পৰিচালনা সমিতিৰ সভাপতি অনন্ত গগৈকে ধৰি কে'বাজনো ব্যক্তিয়ে শিক্ষক কোঁৱৰৰ কৰ্মময় জীৱনৰ ওপৰত বক্তব্য আগবঢ়ায়। শিক্ষক কোঁৱৰক বিদ্যালয়ৰ শিক্ষক গোট, পৰিচালনা সমিতি, অভিভাৱক, আৰু ছাত্ৰ-ছাত্ৰীৰ তৰফৰ পৰা ফুলাম গামোচা, শৰাই, মানপত্ৰ আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

টেঙাখাতত নাগৰিকত্ব সংশোধনী বিধেয়ক বাতিলৰ দাবীত জোঁৰ সমদল

টেঙাখাত, ১৩ নৱেম্বৰ ঃ তাই আহোম ছাত্ৰ সন্থাৰ ৰংচঙী আৰু টেঙাখাত আঞ্চলিক সমিতিৰ উদ্যোগত আৰু অঞ্চলটোৰ বিভিন্ন জাতীয় সংগঠনৰ সহযোগত যোৱা ১১ নৱেম্বৰৰ সন্ধিয়া টেঙাখাতত নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬ বাতিলৰ দাবীত প্ৰতিবাদী জোঁৰ সমদল উলিওৱা হয়। টেঙাখাতৰ সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা ৰংগমঞ্চৰ প্ৰাংগণৰ পৰা আৰম্ভ কৰা সমদলকাৰী দলটোৱে টেঙাখাত চহৰত পুনৰ ৰংগমঞ্চতে সামৰণি পেলায়। প্ৰতিবাদকাৰী সমদলটোৱে 'মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল মুৰ্দাবাদ, বিজেপি চৰকাৰ হায় হায়, কেন্দ্ৰীয় ৰেলমন্ত্ৰী ৰাজেন গোহাঁই মুৰ্দাবাদ, 'ইনক্লাব জিন্দাবাদ' আদি শ্ল'গান দি উত্তাল কৰি তোলে। প্ৰতিবাদী জোঁৰ সমদলত চুতীয়া ছাত্ৰ সন্থা, সোণোৱাল কছাৰী ছাত্ৰ সন্থা, গোৰ্খা ছাত্ৰ সন্থাকে ধৰি কে'বাটাও ছাত্ৰ সংগঠনৰ বিষয়ববীয়াই যোগদান কৰে।

জনজাতিকৰণৰ দাবীত শিৱসাগৰত কোচ ৰাজবংশীৰ প্ৰতিবাদ

বিশেষ সংবাদদাতা

শিৱসাগৰ, ১৩ নৱেম্বৰ ঃ কোচ ৰাজবংশীসকলক অতিশীঘ্ৰে অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান কৰাৰ দাবীত কালি সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ শিৱসাগৰ আৰু নাজিৰা জিলা সমিতিয়ে শিৱসাগৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ত দুঘন্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণেৰে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদ স্থলীত কোচ ৰাজবংশী সন্মিলনীৰ শিৱসাগৰ জিলা সভাপতি ৰাতুল ভৰালীয়ে কয় যে সুদীৰ্ঘ কাল অসমত বসবাস কৰা কোচ ৰাজবংশীসকলে জনজাতিকৰণৰ বাবে ধাৰাবাহিক সংগ্ৰাম অব্যাহত ৰাখিছে। চৰকাৰে ন্যায্য কোচ ৰাজবংশীসকলৰ ন্যায্য দাবী মানি নল'লে ভৱিষ্যতৰ দিনত শাসনাধিষ্ঠ বিজেপি দলৰ বিৰুদ্ধে অধিক তীব্ৰ গণতান্ত্ৰিক সংগ্ৰাম গঢ়ি তোলা হ'ব বুলি ভৰালীয়ে উল্লেখ কৰে। ইয়াৰ পাছতেই সংগঠনটোৱে সাতদফীয়া দাবী সম্বলিত এখন স্মাৰকপত্ৰ শিৱসাগৰ জিলা উপায়ুক্তৰ জৰিয়তে দেশৰ প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। এই প্ৰতিবাদী কাৰ্যসূচীত কোচ ৰাজবংশী সন্মিলনীৰ শিৱসাগৰ জিলা সম্পাদক পংকজ বৰা, নাজিৰা জিলা সমিতিৰ সম্পাদক মণি দত্ত, আক্ৰাছুৰ জিলা সভাপতি পাৰ্থজ্যোতি বৰাৰ লগতে ৰাজ্যিক সদস্য সৌৰভ দত্ত আৰু দিগন্ত শইকীয়া উপস্থিত থাকে।

চাৰিং ৰাস মহোৎসৱৰ কাৰ্যসূচী ঘোষণা

অগ্ৰদূত বাৰ্তা

গৌৰীসাগৰ, ১৩ নৱেম্বৰ ঃ বৃহত্তৰ চাৰিঙৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান চাৰিং ৰাস মহোৎসৱ আৰু কলা-কৃষ্টি কেন্দ্ৰৰ আগন্তুক ৰাস মহোৎসৱ অহা ২১ৰ পৰা ২৪ নৱেম্বৰলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব। ইয়াৰ বাবে সাজু হৈছে অঞ্চলটোৰ ২২খন গাঁৱৰ ৰাইজ। প্ৰথম দিনা পুৱা নামাচাৰ্য মিলেশ্বৰ চুতীয়াই বন্তি প্ৰজ্বলনেৰে চাৰিদিনীয়া কাৰ্যসূচীৰ পাতনি মেলিব। ইয়াৰ পাছতে উদ্‌যাপন সমিতিৰ সভাপতি পদ্ম নাথে ধৰ্মধ্বজা উত্তোলন, শিক্ষাবিদ তুৰাৰাম খনিকৰে স্মৃতি তৰ্পণ কৰাৰ পাছতে বৃক্ষৰোপণ কাৰ্যসূচী সম্পন্ন কৰিব ৰাজহ চক্ৰ বিষয়া মৌচুমী চেতিয়াই। বিয়লি কৃতী ছাত্ৰ-ছাত্ৰীৰ বঁটা প্ৰদান অনুষ্ঠানৰ পাছতে অনুষ্ঠিত হ'ব লগা সাংস্কৃতিক অনুষ্ঠানেৰে সামৰণি পৰিব প্ৰথম দিনৰ কাৰ্যসূচী। দ্বিতীয় দিনা স্থানীয় বিধায়ক প্ৰদীপ হাজৰিকাই ৰাস মহোৎসৱৰ বাৰাণ্ডাৰ আধাৰশিলা স্থাপন কৰাৰ পাছতে নাম-প্ৰসংগ, দিহানাম, আৰু সন্ধিয়ালৈ গায়ন-বায়ন পৰিৱেশনেৰে মঞ্চস্থ হ'ব শ্ৰীকৃষ্ণৰ ৰাস লীলা আৰু কংস বধ নাটৰ ভাওনা। কাৰ্যসূচী অনুসৰি তৃতীয় দিনা বিয়লি চাৰি বজাৰ পৰা শিৱসাগৰৰ সপ্তৰথী শিল্পী সমাজৰ দ্বাৰা। 'নৃসিংহ যাত্ৰা' আৰু নিশালৈ জাঁজী হাঁহচৰাৰ বৃন্দাবন নাট্যগোষ্ঠীৰ 'কুৰ্ম অৱতাৰ' নাট পৰিৱেশন। অন্তিম দিনৰ কাৰ্যসূচীৰ বিয়লিলৈ গাণ্ডীৰ নাট্যগোষ্ঠী চাৰিঙৰ শিল্পীবৃন্দই 'গ্ৰাহ গজেন্দ্ৰ উপাখ্যান' আৰু নিশাৰলৈ চাৰিং শান্তিপাৰ মণিকাঞ্চন নাট্যগোষ্ঠীয়ে পৰিৱেশন কৰিব 'দক্ষ যজ্ঞ' নাটৰ ভাওনা। কাৰ্যসূচীৰ কেউটা দিনতে সকলো ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

জাপানৰ পৰা বৌদ্ধ প্ৰতিনিধি দলৰ প্ৰত্যাৰ্ৱতন

অগ্ৰদূত বাৰ্তা

তিতাবৰ, ১৩ নৱেম্বৰ ঃ জাপানৰ নাৰিটা চহৰত যোৱা সাতৰ পৰা ন নৱেম্বৰলৈ অনুষ্ঠিত বিশ্ব বৌদ্ধ ভ্ৰাতৃত্ব সংঘৰ ২৯ সংখ্যক অধিৱেশনত অংশগ্ৰহণ কৰি অসম আৰু অৰুণাচলৰ প্ৰতিনিধি দলটোৱে ইতিমধ্যে স্বদেশলৈ প্ৰত্যাৰৱৰ্তন কৰিছে। প্ৰতিনিধি দলটোত আছিল সদৌ অসম বৌদ্ধ মহাসভাৰ সাধাৰণ সম্পাদক আলোক শ্যাম গোহাঁই, অৰুণাচলৰ মন্ত্ৰী ৰাংকি লৰাং, ফেহম চাখাপ, ডিব্ৰুগড়ৰ আন্তঃৰাষ্ট্ৰীয় ভ্ৰাতৃত্ব মিছনৰ সঞ্চালক কৰুণা শাস্ত্ৰী মহাথেচ, বুদ্ধি পাল আৰু নিথান গোহাঁই। উল্লেখ্য যে পৃথিৱীৰ ১৬ খন দেশৰ ৩৫০ জন প্ৰতিনিধিয়ে অধিৱেশনত অংশগ্ৰহণ কৰিছিল।

বৌদ্ধ ভিক্ষুৰ প্ৰয়াণত বৌদ্ধ মহাসভাৰ শোক

ইপিনে, সদৌ অসম বৌদ্ধ মহাসভাৰ সভাপতি ড০ নৰেন্দ্ৰ নাথ শ্যাম, আৰু সাধাৰণ সম্পাদক আলোক শ্যাম গোহাঁয়ে শতবৰ্ষ গৰকা লিডু মৌংলাং খামটি বৌদ্ধ বিহাৰৰ বিহাৰাধ্যক্ষ ইউ গুণাৱন্ত মহাথেৰৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ জ্যেষ্ঠতম ভিক্ষু হিচাপে সামাজিক আৰু আধ্যাত্মিক জীৱনত থকা তেওঁৰ গভীৰ প্ৰভাৱে সমগ্ৰ বৌদ্ধ সমাজক উদ্বুদ্ধ কৰি তোলা ভিক্ষুগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁৰ চিৰশান্তি কামনা কৰা হয়।

বানমুখত চুতীয়া জাতি সন্মিলনৰ আঞ্চলিক সমিতি গঠন

বিশেষ সংবাদদাতা

দিচাংমুখ, ১৩ নৱেম্বৰ ঃ সদৌ চুতীয়া জাতি সন্মিলনৰ বানমুখ আঞ্চলিক সমিতিখন যোৱা ১০ নৱেম্বৰত গঠন কৰা হয়। তদুপলক্ষে অৱসৰপ্ৰাপ্ত শিক্ষক বীৰেন বৰাৰ সভাপতিত্বত দুই নম্বৰ কাথপাৰ প্ৰাথমিক বিদ্যালয়ত এখন সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জীৱকান্ত চুতীয়াই। সভাত কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক হেমাংগ ৰঞ্জন চুতীয়া, সামৰিক বাহিনীৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী উমা বৰুৱা, চুতীয়া ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক খগ চুতীয়া , চুতীয়া জাতি সন্মিলনৰ শিৱসাগৰ জিলা সমিতিৰ সম্পাদক পৰাগ শইকীয়া, চুতীয়া ছাত্ৰ সন্থাৰ জিলা সমিতিৰ সাংগঠনিক সম্পাদক দেৱাশীষ চুতীয়া, গাঁওবুঢ়া তৰামণি চুতীয়া উপস্থিত থাকে। অংশগ্ৰহণকাৰীসকলে চুতীয়া জাতিৰ অতীত আৰু বৰ্তমান কাৰ্যপন্থা সন্দৰ্ভত ভাষণ প্ৰদান কৰে। উক্ত সভাতে তৰুণ চুতীয়াক সভাপতি আৰু জীৱকান্ত চুতীয়াক সম্পাদক হিচাপে লৈ ২১ জনীয়া সদস্যৰে চুতীয়া জাতি সন্মিলনৰ বানমুখ আঞ্চলিক সমিতিখন গঠন কৰা হয়।

প্ৰাক্তন আছু তথা বিজেপি নেতা কংগ্ৰেছত যোগদান

অগ্ৰদূত বাৰ্তা

মাহমৰা , ১৩ নৱেম্বৰ ঃ ৰাজ্যখনত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে শাসক-বিৰোধীৰ নিৰ্বাচনী প্ৰচাৰ তুংগত হৈ থকাৰ সময়তে চৰাইদেউ জিলাৰ মাহমৰা বিধানসভা সমষ্টিত শাসকীয় দলত মোক্ষম আঘাত হানি কালি বহুকেইজন বিজেপি নেতা-কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰে। সমষ্টিটোৰ মাহমৰা গ্ৰাম্য মণ্ডলৰ সদস্য তথা সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ-সভাপতি, সক্ৰিয় যুৱনেতা সুশীল ভাগৱতী, দলটোৰ নিষ্ঠাবান কৰ্মী তুল্য গগৈ আৰু প্ৰাক্তন অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মৰাণ আঞ্চলিক সমিতিৰ সদস্য মৃণাল চাংমাইকে ধৰি ৫০ জনৰো অধিক বিজেপি নেতা-কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক সুৰুজ দিহিংগীয়াৰ উপস্থিতিত যোগদান কৰি প্ৰাক্তন আছু নেতাজনে বিজেপিক ক্ষুৰধাৰ সমালোচনা কৰে। উল্লেখ্য যে সমষ্টিটোৰ মিলন গাঁও পঞ্চায়তৰ বিজেপি দলৰ সভাপতি পদৰ অন্যতম প্ৰাৰ্থিত্বৰ দাবীদাৰ আছিল সুশীল ভাগৱতী।

ষট পূজা উপলক্ষে মানকাচৰত একাংশ ভক্তপ্ৰাণ মহিলাৰ প্ৰাৰ্থনা, মঙলবাৰে।

ডিমৌ পৰিটেক্‌নিকৰ শ্ৰমিকৰ দ্বাৰা যুৱতীক অশালীন ব্যৱহাৰ

আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে এজনক

অগ্ৰদূত বাৰ্তা

ডিমৌ, ১৩ নৱেম্বৰ ঃ ডিমৌ সমীপৰ বৰুৱা চাংমাই গাঁৱত অৱস্থিত শিৱসাগৰ পলিটেক্‌নিক নিৰ্মাণ কাৰ্যত নিয়োজিত একাংশ শ্ৰমিকে অঞ্চলটোত সন্দেহজনকভাৱে বিচৰণ কৰি থকাৰ সমান্তৰালভাৱে পলিটেক্‌নিকত কাম কৰা ৰফিক আলী নামৰ এজন শ্ৰমিকে এগৰাকী যুৱতীক অশালীন ব্যৱহাৰ কৰাৰ সন্দৰ্ভত আজি ডিমৌ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে যোৱা ১১ নৱেম্বৰৰ পুৱা প্ৰায় ৬-৩০ বজাত উজনি বৰুৱা চাংমাই গাঁৱত অৱস্থিত ব্ৰহ্মাকুমাৰী বিশ্ববিদ্যালয়লৈ অহাৰ পথত লাওজান ১০ নম্বৰ বাগিচাৰ মাজত ৰফিক আলীয়ে লাওজান ভাটা লাইনৰ এগৰাকী যুৱতীক বাটত আগচি ধৰি হাতত ধৰি বলপূৰ্বকভাৱে টনা-আঁজোৰা কৰি অশালীন আচৰণ কৰিবলৈ উদ্যত হয়। ইয়াৰ পাছতেই যুৱতীগৰাকীয়ে চিঞৰ-বাখৰ কৰি কোনোৰকম প্ৰাণ বচাই ব্ৰহ্মাকুমাৰী বিশ্ববিদ্যালয়ত উপস্থিত হয়। এই সন্দৰ্ভত যুৱতীগৰাকীয়ে লম্পট ৰফিকৰ বিৰুদ্ধে ডিমৌ থানাত এখন এজাহাৰ দাখিল কৰে। ডিমৌ আৰক্ষীয়ে ৩৭১/২০১৮ নম্বৰত এক গোচৰ পঞ্জীভুক্ত কৰি ভাৰতীয় দণ্ড বিধি আইনৰ ৩৭৬/৫১১ ধাৰাত ৰফিকক গ্ৰেপ্তাৰ কৰি আজি শিৱসাগৰ আদালত হাজিৰ কৰাত জেললৈ প্ৰেৰণ কৰে।

কিণ্ডাৰগাৰটেনত আজি শিশু দিৱস

অগ্ৰদূত বাৰ্তা

ডিমৌ, ১৩ নৱেম্বৰ ঃ ডিমৌত নতুনকৈ প্ৰতিষ্ঠিত হোৱা ৰাইচাইস্থিত কিণ্ডাৰগাৰ্টেন বিদ্যালয়ৰ কণ কণ শিশুকসকলক লৈ পোন প্ৰথমবাৰৰ বাবে কাইলৈ বিদ্যালয় প্ৰাংগণত শিশু দিৱসৰ আয়োজন কৰা হৈছে। পুৱা ১১ বজাত পণ্ডিত জৱাহৰলাল নেহৰুৰ জীৱন আৰু দৰ্শনৰ ওপৰত বিদ্যালয়ত এক আলোচনাচক্ৰ অনুষ্ঠিত হোৱাৰ লগতে বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন অনুষ্ঠান পৰিৱেশন কৰিব। সকলো ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে কিণ্ডাৰগাৰ্টেনৰ অধ্যক্ষা পল্লৱিকা গগৈয়ে। ইফালে, থাওৰা মণ্ডল সমল কেন্দ্ৰৰ অধীনৰ বিদ্যালয়সমূহতো শিশু দিৱস উদ্‌যাপনৰ বাবে প্ৰস্তুতি চলোৱাৰ লগতে চনাপুৰ সামাজিক উন্নয়ন সমিতিয়েও ডিমৌত কেন্দ্ৰীয়ভাৱে শিশু দিৱস আয়োজন কৰিছে।

আহোম ৰয়েল ছ'চাইটিৰ সভাপতি ক্ষিৰোদ ৰাজকোঁৱৰৰ দেহাৱসান

বিশেষ সংবাদদাতা

শিৱসাগৰ , ১৩ নৱেম্বৰ ঃ অসমৰ এগৰাকী বিশিষ্ট সমাজ সংগঠক, সমাজকৰ্মী তথা আহোম ৰয়েল ছ'চাইটিৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ক্ষিৰোধ ৰাজকোঁৱৰ (৭০)ৰ যোৱা ১১ নৱেম্বৰত ডিব্ৰুগড়ৰ এখন নাৰ্ছিংহোমত মৃত্যু হয়। দুদিনৰ পূৰ্বে গুৰুতৰভাৱে হৃদৰোগত আক্ৰান্ত হোৱাত তেওঁক ডিব্ৰুগড়ৰ নাৰ্ছিংহোমত ভৰ্তি কৰোৱা হৈছিল। লাকুৱাৰ নিবাসী ক্ষিৰোদ ৰাজকোঁৱৰে আহোম ৰয়েল ছ'চাইটি প্ৰতিষ্ঠা কালৰে পৰা সভাপতিৰ দায়িত্ব গ্ৰহণ কৰি ধৰ্ম নিৰপেক্ষ আহোম স্বৰ্গদেউসকলে গঠন কৰা আহোম প্ৰশাসনীয় ব্যৱস্থাৰ লগতে বৃহত্তৰ আহোম সমাজখনক একত্ৰিত কৰি শক্তিশালী ৰূপ দিয়াৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছিল। কালি তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে অগণন গুণমুগ্ধ লাকুৱাৰ সৰু মথুৰাপুৰৰ বাসভৱনত উপস্থিত হৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত পত্নীসহ চাৰিজন পুত্ৰ ইহসংসাৰত এৰি যায়। কালি তেওঁৰ নশ্বৰদেহ শোভাযাত্ৰা কৰি চৰাইদেউ মৈদাম পৰিভ্ৰমণ কৰাৰ পাছত লাকুৱা সৰু মথুৰাপুৰ বাগানত আহোম পৰম্পৰাৰে শেষকৃত্য সম্পন্ন কৰা হয়। জনপ্ৰিয় ব্যক্তিজনৰ মৃত্যুত আহোম ৰয়েল ছ'চাইটিয়ে এখন শোকসভা অনুষ্ঠিত কৰি বিদেহী আত্মাৰ সদ্‌গতি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। ক্ষিৰোদ ৰাজকোঁৱৰৰ মৃত্যুত আহোম ৰয়েল ছ'চাইটি শিৱসাগৰ জিলা সমিতি, আটাছু, বৃহত্তৰ অসমীয়া যুৱ মঞ্চ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, উজনি অসম মুছলিম কল্যাণ পৰিষদ, আহোম সেনা, আহোম জাতীয় গণমঞ্চ, তাই আহোম যুৱ পৰিষদ, ঐক্যসেনাকে ধৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

তিতাবৰ পতিয়া গাঁৱত বিষ্ণু মন্দিৰৰ শিলান্যাস

অগ্ৰদূত বাৰ্তা

মেলামাটি, ১৩ নৱেম্বৰ ঃ যোৱা ১১ নৱেম্বৰত ২০১৩ত প্ৰতিষ্ঠা কৰা তিতাবৰ মেলামাটি পতিয়া গাঁৱৰ বিষ্ণু নাৰায়ণ মন্দিৰৰ স্থায়ী গৃহৰ শিলান্যাস কৰে তৃতীয় অসম আৰক্ষী বাহিনীৰ অধিনায়ক আই পি এছ মৃদুল দত্তই। এই উপলক্ষে মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হয় এখন ৰাজহুৱা সভা। নিৰ্মাণ সমিতিৰ সভাপতি সাহিত্য কৰ্মী পৰেশ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি অধিনায়ক দত্তই কয় যে ৩৩ কোটি দেৱতাৰ ভিতৰত হিন্দু ধৰ্মাৱলম্বী লোকে বিশেষকৈ বিষ্ণুকেই মুখ্য ৰূপে আৰাধনা কৰি আহিছে। পালন কৰ্তা বিষ্ণুক উপাস্য দেৱতা হিচাপে আৰাধনা কৰিবলৈ এই স্থানত মন্দিৰ নিৰ্মাণ কৰাত অঞ্চলটোৰ ভকত বৈষ্ণৱৰ ভক্তিভাৱৰ প্ৰতি থকা আনুগত্য উল্লেখনীয় বুলি অভিহিত কৰে। নিৰ্মাণ সমিতিৰ সম্পাদক ললিত দত্তই আঁতধৰা সভাত অৰুণোদয় হাইস্কুলৰ প্ৰধান শিক্ষক বিমান শইকীয়াই ভাৰতীয় দৰ্শনৰ যোগেদি গুৰুজনাই প্ৰৱৰ্তন কৰা নৱ বৈষ্ণৱ ধৰ্মলৈকে এক আলোকপাত দাঙি ধৰে। ইয়াৰ আগতে কণমানি শিল্পী অভিশ্ৰুতি বৰুৱা আৰু গৰিমা ভূঞাই বৰগীত পৰিৱেশন কৰে। সভাত শিক্ষাবিদ অৰুণ বৰুৱা, নৰেন শইকীয়া, পৰেশ বৰুৱা প্ৰমুখ্যে কে'বাজনো বক্তাই ভাষণ আগবঢ়ায়। এই সভাতে পূৰ্বে গঠন কৰা সমিতিখন সম্প্ৰসাৰণ কৰি কৃষ্ণ জ্যোতি দত্ত আৰু বিপুল দত্তক যুটীয়া সম্পাদক ৰূপে দায়িত্ব দিয়া হয়।

শামুকামাৰীত শ্ৰীশ্ৰী জগদ্ধাত্ৰী পূজাৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

সৰভোগ, ১৩ নৱেম্বৰ ঃ শামুকামাৰী শ্ৰীশ্ৰী জগদ্ধাত্ৰী পূজা আৰু বজাৰ সমিতিয়ে অহা ১৬, ১৭, ১৮, ১৯ আৰু ২০ নৱেম্বৰত মন্দিৰ প্ৰাংগণত শ্ৰীশ্ৰী জগদ্ধাত্ৰী পূজা উদ্‌যাপন কৰিবলৈ প্ৰস্তুতি চলোৱা হৈছে। পূজা পৰিচালনা কৰিবলৈ কনক চন্দ্ৰ ৰায়ক সভাপতি, ঘনশ্যাম ৰায় আৰু ডিম্বেশ্বৰ দাসক সম্পাদকৰূপে লৈ এখন সমিতি গঠন কৰা হৈছে। ১৬ নৱেম্বৰত সন্ধিয়া অধিবাস, মূৰ্তি স্থাপন, নাম-কীৰ্তন, ১৭ ননেম্বৰত পুৱা স্বচ্ছ অভিযান, ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, পূজা-অৰ্চনা, ভাগৱত পাঠ, আইসকলৰ নাম আৰু বিয়লি থিয় নাম অনুষ্ঠিত হ'ব। ১৮ নৱেম্বৰৰ পুৱা পূজা অৰ্চনা, খাৰাতাল আৰু শেষৰ দিনা পূজা-অৰ্চনা, মাহিলি কুপনৰ খেল, একক আৰু দলীয় নৃত্য প্ৰতিযোগিতা আৰু বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হ'ব।

জৰাজীৰ্ণ নাট্য মন্দিৰত মমৰ পোহৰত দিনজুৰি চলিল সভা

ন বছৰৰ মূৰত নাজিৰা নাট্য মন্দিৰৰ সাধাৰণ সভা

অগ্ৰদূত বাৰ্তা

নাজিৰা, ১৩ নৱেম্বৰ ঃ নাজিৰাৰ কলা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ নাজিৰা নাট্য মন্দিৰৰ সাধাৰণ সভা অৱশেষত ন বছৰৰ বিৰতিৰ পাছত যোৱা ১১ নৱেম্বৰত নাজিৰা নাট্য মন্দিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সম্পাদক যোগ গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা তথা প্ৰবীণ শিক্ষাবিদ ঘন হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত আৰম্ভণিতে সম্পাদকীয় তথা বিত্তীয় প্ৰতিবেদন পাঠ কৰাৰ লগে লগেই তুমুল বিতৰ্কৰ সৃষ্টি হয়। বিগত ন বছৰে বিভিন্ন শিতানৰ পৰা লাভ কৰা বিত্তীয় সাহায্য আৰু নাট্য মন্দিৰৰ ভাড়াৰ বাবদ লাভ কৰা ধনক লৈ উপস্থিত ৰাইজৰ ওপৰা-উপৰি প্ৰশ্নবানক লৈ এক তদন্তৰ আশ্বাস দিয়াত পৰিস্থিতি শান্ত হয়। ইফালে, পুৰণি সমিতিৰ পদত্যাগৰ পাছতে নতুন সমিতি গঠনক লৈও এক তুমুল বাক-বিতণ্ডাৰ সৃষ্টি হয়। সভাপতি পদত দুই সমাজকৰ্মী আব্দুৰ ৰহমান আৰু তুলসী গগৈৰ নাম প্ৰস্তাৱিত হোৱাৰ বিপৰীতে সাধাৰণ সম্পাদকৰ বাবে প্ৰবীণ নাট্যকৰ্মী ধীৰু ভূঞা আৰু সমাজকৰ্মী প্ৰসেনজিত বৰুৱাৰ নাম প্ৰক্ষেপ হোৱাত উক্ত দুই পদবী নিৰ্বাচনৰ জৰিয়তে পৰৱৰ্তী সময়ত নিৰ্বাচন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে সভাই। ইফালে, আন আন বিষয়বাবত ক্ৰমে গোপাল বৰুৱাক উপ-সভাপতি, পলাশ পৱন শইকীয়াক সহকাৰী সাধাৰণ সম্পাদক, কুমুদ কলিতাক মঞ্চাধ্যক্ষ, উজ্জ্বল খনিকৰক ছোঁ ঘৰ তত্ত্বাৱধায়ক হিচাপে দায়িত্ব অৰ্পণ কৰাৰ সমান্তৰালকৈ আন ন জনক কাৰ্যনিৰ্বাহক সদস্য হিচাপে নিৰ্বাচিত কৰা হয়। বহু বছৰৰ পূৰ্বৰে পৰা বিজুলী সংযোগ বিহীনভাৱেই চলি অহা নাজিৰা নাট্য মন্দিৰত কালি মমৰ পোহৰতে সভা চলি যোৱাৰ দৃষ্টিকটু দৃশ্যই উপস্থিত প্ৰায় দুই শতাধিক সংস্কৃতিপ্ৰেমীক ব্যথিত কৰি তোলাৰ বিপৰীতে নৱনিৰ্বাচিত সমিতিখনে নাজিৰাৰ নাট্য আন্দোলনৰ সাক্ষৰ বহন কৰি অহা অনুষ্ঠানটি অনাগত সময়ত জিলিকাই তোলাৰ বাবে অহোপুৰুষাৰ্থ কৰাৰ কামনা কৰিছে।